# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-01-2026
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

0000000

উত্তৰ গুৱাহাটীৰ ৰংমহলত আজি সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উদ্দেশ্যে মুখ্য ন্যায়াধীশ সূৰ্যকান্ত কালি অসমত উপস্থিত হৈছে আৰু বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ন্যায়াধীশগৰাকীক আদৰণি জনায়। এই অনুষ্ঠানত আইন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থকাৰ কথা। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশো উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে।

0000000

লখিমপুৰ জিলাৰ ঢকুৱাখনাত ৫ জানুৱাৰীৰ পৰা ছদিনীয়াকৈ অনুষ্ঠিত ষষ্ঠ ঢকুৱাখনা গ্ৰন্থমেলাৰ কালি সামৰণি পৰে। এই গ্ৰন্থমেলাত অসম তথা উত্তৰ-পূবৰ কেইবাটাও আগশাৰীৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা প্ৰতিষ্ঠানে অংশ লয়। গ্ৰন্থমেলাৰ প্ৰতিটোদিনতে ঢকুৱাখনা সমজিলাৰ অন্তৰ্গত শিক্ষানুষ্ঠানসমূহৰ শিক্ষাৰ্থীসকলৰ মাজত সাহিত্য প্ৰতিযোগিতা, চিত্ৰ প্ৰদৰ্শনী, সাংস্কৃতিক অনুষ্ঠান, লেখকসকলৰ মত বিনিময় আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই গ্ৰন্থমেলাৰ এগৰাকী উদ্যোক্তাই এইদৰে কয়---

*-বাইট-*

0000000

কাইলৈ মাঘ বিহু উৰুকা। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে। চৰাইদেউ জিলাৰ সোণাৰীত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান চৰাইদেউ জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত এই ভোগালী মেলাত ২৮ টা আত্মসহায়ক  গোটে অংশগ্ৰহণ কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া সমষ্টিৰ নামৰূপ গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত কালিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজানবজাৰৰ সতী ৰাধিকা শান্তি উদ্যানতো অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। আজি সামৰণি পৰিবলগীয়া এই মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ সমীপৰ লক্ষ্মীনাথ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ভোগালী মেলা অনুষ্ঠিত হৈছে।

ভোগালী বিহুৰ পূৰ্বে দৰং জিলাৰ মঙলদৈৰ জলজলি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিক্ৰেতা ৰূপত দেখিবলৈ পোৱা গৈছে। বজাৰ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান প্ৰদানৰ লক্ষ্যৰে ভোগালীৰ খাদ্য সম্ভাৰ লৈ ছাত্ৰ-ছাত্ৰীসকলে বিপনী দিয়ে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ অনুষ্ঠিত হৈছে। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলাৰ আজি সামৰণি পৰিব। ৰাজ্যৰ আন আন প্ৰান্ততো ভোগালী মেলা অনুষ্ঠিত হৈছে।

০০০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত শুকুৰবাৰৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ আজি সামৰণি পৰিব। এই মহোৎসৱ উপলক্ষে অঞ্চলটোত বহু দেশী-বিদেশী পৰ্যটকৰ সমাগম হৈছে। কালি দ্বিতীয় দিনা প্ৰতিকী ৰূপত স্বৰ্গদেউৰ শোভাযাত্ৰা আৰু ৰাজসভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আয়োজিত এই মহোৎসৱৰ কালি শোভাযাত্ৰাই সকলোকে আপ্লুত কৰে। সহস্ৰাধিক লোকৰ উপস্থিতিত চৰাইদেউত প্ৰতিকী ৰাজসভা অনুষ্ঠিত হয়। টাই-আহোমসকলৰ পৰম্পৰাগত ৰীতি-নীতিৰে স্বৰ্গদেউক আদৰণি জনোৱা হয়।

উল্লেখযোগ্য যে, চৰাইদেৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০০০০

ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থা প্ৰাধিকৰণৰ সহযোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত নাহৰকটীয়া ৰাজহ চক্ৰৰ জৰুৰীকালীন অনুশীলনৰ কালি সামৰণি পৰে। তৃণমূল পৰ্যায়ত দুৰ্যোগ মোকাবিলা সক্ষমতা বৃদ্ধি আৰু সমাজৰ সকলো স্তৰত সজাগতা সৃষ্টি কৰাই এই অনুশীলনৰ মূল উদ্দেশ্য। যোৱা ৮ জানুৱাৰীত চক্ৰ বিষয়া শৰৎ গগৈ আৰু ক্ষেত্ৰ বিষয়া ছয়নিকা ফুকনে এই অনুশীলন কাৰ্যসূচী উদ্বোধন কৰে।

০০০০০০০

**সমাপ্ত**